Under CSR Support by IPCA | Foundation missiongyan

## অধ্যায় - ৩ | সুস্বাস্থ্যৰ বাবে খাদ্য

QUIZ-01

**১. খাদ্য কাক কোৱা হয় ?**
A. কেৱল ফলমূল
B. জীয়াই থাকিবলৈ প্ৰয়োজনীয় পদাৰ্থ
C. কেৱল প্ৰাণীজ উৎস
D. কেৱল শস্যজাতীয় বস্তু
**Answer: B**
**Explanation:** খাদ্য হৈছে সেই সকলো অত্যাৱশ্যকীয় পদাৰ্থ যাৰ সহায়ত জীৱিত প্ৰাণী জীয়াই থাকে।

**২. সেউজীয়া উদ্ভিদে খাদ্য কেনেকৈ লাভ কৰে?**
A. প্ৰাণীৰ পৰা
B. পানী শোষণ কৰি
C. সূৰ্যৰ পোহৰত খাদ্য নিজে প্ৰস্তুত কৰি
D. মাটিৰ পৰা
**Answer: C**
**Explanation:** সেউজীয়া উদ্ভিদে সালোক-সংশ্লেষণৰ জৰিয়তে নিজৰ খাদ্য তৈয়াৰ কৰে।

**৩. কাৰ্বহাইড্ৰেটৰ মুখ্য কাম কি?**
A. হাড় মজবুত কৰা
B. শৰীৰ গৰম কৰি ৰখা
C. শক্তি প্ৰদান কৰা
D. বংশবৃদ্ধি কৰা
**Answer: C**
**Explanation:** কাৰ্বহাইড্ৰেট হৈছে শক্তিদায়ক খাদ্য, দৈনন্দিন কাৰ্যৰ বাবে শক্তি যোগায়।

**৪. স্নেহপদাৰ্থই (চৰ্বি) কেনেকৈ কাম কৰে ?**
A. ৰক্ত শোধন কৰে
B. সংৰক্ষিত শক্তি হিচাপে থাকে
C. সুগন্ধি বৃদ্ধি কৰে
D. তৃষ্ণা নিবাৰণ কৰে
**Answer: B**
**Explanation:** চৰ্বিয়ে শক্তি সংৰক্ষণ কৰে আৰু শৰীৰ গৰম কৰি ৰাখে।

**৫. প্ৰ'টিন কেনেধৰণৰ খাদ্য ?**
A. শক্তিদায়ক
B. শৰীৰবৰ্ধক
C. আঁহযুক্ত
D. শৰ্কৰা
**Answer: B**
**Explanation:** প্ৰ'টিন শৰীৰৰ বৃদ্ধি, গঠন আৰু মেৰামতিত সহায় কৰে, সেয়েহে ইয়াক শৰীৰবৰ্ধক খাদ্য বোলা হয়।

**৬. "এন্টম'ফেগী" মানে কি ?**
A. ঘাট মাটি খোৱা অভ্যাস
B. ফলমূল কেৱল খোৱা
C. পোক-পতংগ খাদ্যৰূপে খোৱা
D. খাদ্য বাদ দি উপবাস কৰা
**Answer: C**
**Explanation:** এন্টম'ফেগী মানে হ'ল পোক-পতংগ খাদ্য হিচাপে গ্ৰহণ কৰা।

**৭. আঁহযুক্ত খাদ্যক কি বোলা হয়?**
A. শক্তিদায়ক খাদ্য
B. সুৰক্ষামূলক খাদ্য
C. ৰুক্ষাহাৰ
D. শৰীৰবৰ্ধক খাদ্য
**Answer: C**
**Explanation:** আঁহযুক্ত খাদ্যক ৰুক্ষাহাৰ বোলা হয়; ই হজম প্ৰক্ৰিয়াত সহায় কৰে।

**৮. ভিটামিন C-ৰ অভাৱত কি ৰোগ হয় ?**
A. ৰিকেট
B. স্কাৰ্ভি
C. দৃষ্টিশক্তি হ্ৰাস
D. গৰল
**Answer: B**
**Explanation:** ভিটামিন C ৰ অভাৱত স্কাৰ্ভি হয় — দাঁতৰ আলু ফুলা, ৰক্তক্ষৰণ আদি দেখা যায়।

**৯. সুষম আহাৰ মানে কি?**
A. কেৱল ফলমূল
B. কেৱল শস্য
C. সকলো পৰিপোষক সঠিক পৰিমাণত থকা আহাৰ
D. কেৱল প্ৰ'টিন যুক্ত আহাৰ
**Answer: C**
**Explanation:** সুষম আহাৰত সকলো অত্যাৱশ্যকীয় পৰিপোষক — কাৰ্বহাইড্ৰেট, প্ৰ'টিন, চৰ্বি, ভিটামিন, খনিজ, আঁহ আৰু পানী থাকে।

**১০. মিলেটক কেনেকৈ বৰ্ণনা কৰা হৈছে?**
A. পুষ্টিহীন খাদ্য
B. কেৱল পশুখাদ্য
C. নিউট্ৰি খাদ্য/ছুপাৰফুড
D. ক্ষতিকৰ খাদ্য
**Answer: C**
**Explanation:** মিলেটত প্ৰ'টিন, আঁহ, লো, কেলছিয়াম আদিৰ উপস্থিতিৰ বাবে ইয়াক নিউট্ৰি খাদ্য বা ছুপাৰফুড বুলিও কোৱা হয়।

মিছন জ্ঞান
জব চাহিঁ, জহাঁ চাহিঁ, জৈসা চাহিঁ!
100% FREE!
Video COURSES | QUIZ | PDF | TEST SERIES
Download Mission Gyan App